**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 14-02-2026**
**Time : 21-25 Hrs.**

**ASSAMESE NIGHT BULLETIN**

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ডিব্ৰুগড় জিলাৰ মৰাণৰ ঘাইপথত জৰুৰীকালীন অৱস্থাত বিমান উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা অৱতৰণ ক্ষেত্ৰ মুকলি কৰে। তেওঁ লগতে ছুখয়-থাৰ্টি, ৰাফেল, তেজছ যুঁজাৰু বিমানৰ লগতে হাৰ্কিউলিছ আৰু এণ্টন’ভ এ এন থাৰ্টি-টু পৰিবহণ বিমানৰ অৱতৰণ আৰু উৰণ কৌশল প্ৰত্যক্ষ কৰে। প্ৰায় ১০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ অৱতৰণ ক্ষেত্ৰ উত্তৰ-পূবৰ প্ৰথমখন জৰুৰীকালীন ক্ষেত্ৰ। যুদ্ধ অথবা যিকোনো জৰুৰীকালীন অৱস্থাত পৰম্পৰাগত বিমান বন্দৰসমূহ অচল হৈ পৰিলে এই বিকল্প অৱতৰণ ক্ষেত্ৰ সেনাবাহিনীৰ বাবে ফলপ্ৰসূ হ’ব।

ইয়াৰ পাছত গুৱাহাটীত প্ৰধানমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতুখন মুকলি কৰে। ৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা এই ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দলংখনে উত্তৰ-গুৱাহাটীত থকা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান তথা সাংস্কৃতিক স্থানসমূহলৈ যাতায়াত সুচল কৰি তোলাৰ লগতে উত্তৰ গুৱাহাটীক মহানগৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। এই উপলক্ষে লাচিত ঘাটত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকে। এই অনুষ্ঠানৰ পৰাই প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান-আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰে আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০ খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰে। কামৰূপ জিলাৰ আমিনগাঁৱত আজি উত্তৰ পূবৰ প্ৰথম আৰু দেশৰ পঞ্চমটো ডাটা চেণ্টাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীৰ খানাপাৰাত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীগৰাকীয়ে অসম সহ সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল দেশৰ অষ্টলক্ষ্মী বুলি প্ৰকাশ কৰে। দলৰ বুথ বিজয় সংকল্প সভাত ভাষণ দি প্ৰদানমন্ত্ৰীয়ে কয় যে বিগত ১১ বছৰত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কংগ্ৰেছৰ শাসন কালত অঞ্চলটোৰ প্ৰতি কৰা অৱহেলাৰ বাবে দলটোক সমালোচনা কৰি প্ৰধানমন্ত্ৰীয়ে কংগ্ৰেছে অসমক হিংসাৰ দিশে ঠেলি দিয়া বুলি আৰু তেওঁলোকৰ শাসন কালত অঞ্চলটোত অস্থিৰতা সৃষ্টিত অৰিহনা যোগোৱা বুলি অভিযোগ তোলে। শ্ৰীমোদীয়ে কয় যে যোৱা ১১ বছৰত উত্তৰ পূৰ্বাঞ্চলৰ বাবে ৫ লাখ ৫০ হাজাৰ কোটি অধিক টকা আবণ্টন কৰা হৈছে। তেওঁ কয় যে ২০২৬-২৭ বিত্তীয় বৰ্ষত কৰ হস্তান্তৰৰ অংশ হিচাপে অভিলেখ পৰিমাণৰ ৪৯ হাজাৰ ৭২৫ কোটি টকা আচুতীয়াকৈ ৰখা হৈছে। তেওঁ লগতে অসমত নদী পৰ্যটন আন্তঃগাঁথনিৰ বিকাশ সাধন কৰা হ’ব বুলি মন্তব্য কৰে।

বুথ বিজয় সংকল্প সভাত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে কয় যে এসময়ত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ অশান্ত অঞ্চল হিচাপে জনাজাত আছিল যদিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ যুটীয়া প্ৰচেষ্টা অঞ্চলটোত শান্তিৰ প্ৰতিষ্ঠা হৈছে।

বাইট-সৰ্বানন্দ

সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে বিজেপি পুনৰ ক্ষমতালৈ আহিলে অহা বাৰ ২ লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰি প্ৰদান কৰা হ'ব আৰু ৫ লাখ যুৱক-যুৱতীয়ে মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অভিযান আঁচনি লাভ কৰিব। ৰাজ্যত উচ্ছেদ অভিযান অব্যাহত থাকিব বুলিও তেওঁ মন্তব্য কৰে।

০০০০

কেন্দ্ৰীয় চৰকাৰে গহপুৰৰ পৰা নুমলীগড়লৈ ব্ৰহ্মপুত্ৰৰ তলেৰে পথ আৰু ৰে'ল চলাচলৰ সুবিধাযুক্ত দ্বৈত সুৰংগ নিৰ্মাণ প্ৰকল্পত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি অনুষ্ঠিত অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটীয়ে এই মৰ্মে সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰকল্পৰ বাবে ১৮ হাজাৰ ৬৬২ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে। মুঠ প্ৰকল্পৰ দৈৰ্ঘ্য হ'ব ৩৭ দশমিক ৭ কিলোমিটাৰ। ইয়াৰে ভিতৰত ১৫ দশমিক ৭-৯ কিলোমিটাৰ পথ ব্ৰহ্মপুত্ৰ নদীৰ তলত থাকিব। উল্লেখযোগ্য যে, এয়া হ'ব দেশৰ প্ৰথমটো পানীৰ তলৰ পথ আৰু ৰে'লৰ সুৰংগ। এই প্ৰকল্পৰ দ্বাৰা অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যসমূহো উপকৃত হ'ব। তদুপৰি ইয়াৰ ফলত যাত্ৰীৰ পৰিবহণ ব্যয় আৰু সময়ো ৰাহি হ'ব। এই প্ৰকল্পৰ জৰিয়তে প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগ বৃদ্ধি পোৱাৰ উপৰি অঞ্চলটোৰ সামগ্ৰিক বিকাশো ত্বৰান্বিত হ'ব বুলি আশা কৰা হৈছে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**